**শ্ৰীমতী মনীষা শৰ্মা**

**ধাৰাবাহিকঃ বহনক্ষম বিকাশৰ বাবে**

**খণ্ড ৩ ঃ ঔদ্যোগিক বিকাশৰ কথা**

(মূল লেখনীৰ অসমীয়া ৰূপান্তৰণ)

**ঃঃ আৰম্ভ গীত ঃঃ**

<u>চৰিত্ৰসমূহঃ</u>

১) চন্দ্ৰ - (১৩-১৫ বছৰ) - স্কুলৰ ছাত্ৰ
২) দেৱী- (১০-১২ বছৰ) - চন্দ্ৰৰ সৰু ভনীয়েক
৩) পুষ্পেন্দ্ৰ - (৪০-৫০ বছৰ) - চন্দ্ৰ আৰু দেৱীৰ দেউতাক
৪) আইতা - (৭০ বছৰ) - চন্দ্ৰ আৰু দেৱীৰ আইতাক
৫) জেম্চ ৰাটছ (ইউৰোপীয়ান ষ্টাইলত এজন বৃদ্ধৰ মাত)
৬) ঘোষিতা- মহিলাৰ মাত

ফেক্টৰী গেটৰ বাহিৰত ধৰ্নাৰ শব্দ। শ্ৰমিকসকলৰ চিঞৰ-বাখৰ

“নচলিব-নচলিব - এই অন্যায় নচলিব
আমাৰ দাবী মানিবই লাগিব
বনুৰা সন্থা জিন্দাবাদ”।

**আইতা ঃ** (ৰুমৰ ভিতৰৰ পৰা) আৰে। কিহৰ ইমান হুলস্থুল হৈছেনো? চন্দ্ৰ কোৰাছোন

**চন্দ্ৰ ঃ** একো হোৱা নাই আইতা। টি.ভি. হে চলি আছে।

**আইতা ঃ** হয়নেকি! মই আকো ভাৱিছিলো........

**দেউতা ঃ** চন্দ্ৰ..ঐ চন্দ্ৰ; শুনাচোন এইফালে। টি.ভি. ৰ শব্দটো অলপ কম কৰি দিয়াচোন। তোমাৰ আইতাৰ অসুবিধা হৈছে।

**চন্দ্ৰ ঃ** ঠিক আছে দেউতা (টি.ভি. শব্দ লাহে লাহে কমি আহে)। কিন্তু দেউতা এইবোৰ কি হৈ আছেনো? কৰ্মচাৰীবোৰে ইমান উগ্ৰ হৈ কিয়নো হুলস্থুল কৰি আছে?

**দেউতা ঃ** বাবা......... ইয়াক ধৰ্ণা বুলি কয়।

**দেৱী ঃ** হয় দেউতা ........ মই জানো ধৰ্ণাৰ কথা। আজিকালি প্ৰায়ে ধৰ্ণাৰ বিষয়ে শুনিবলৈ পোৱা যায় দেখোন।

**চন্দ্ৰ ঃ** (বেজাৰতে) দেৱী তই সকলোতে মাজত মাত দিবিয়েই নহয়।

**দেউতা ঃ** চন্দ্ৰ এইটো ভাল কথা নহয় বাবা। তেনেকৈ ক'ব নাপায় নহয়। দেৱী তোমাৰ সৰু ভন্তী। তেনেকৈ আৰু কেতিয়াও নকবা দেই।

**চন্দ্ৰ** ঃ চ'ৰী দেউতা। কিন্তু দেউতা এই মানুহবোৰে ধৰ্ণা কিয় কৰি আছেনো?

**দেৱী** ঃ অ' দেউতা..... কোৰানা...

**দেউতা** ঃ অ'কে.. ৰবা মই তোমালোকক কৈ আচো। এই শ্ৰমিক সকলে ধৰ্ণা দিছে। অৰ্থাৎ ফেক্টৰীত তেওঁলোকে কাম কৰিব বিচৰা নাই।

**দেৱী** ঃ কিন্তু দেউতা...তেওঁলোক কিয়নো কাম কৰিব বিচৰা নাই?

**দেউতা** ঃ তেওঁলোকৰ কিছুমান দাৰী আছে- যিবোৰ এওঁলোকে ফেক্টৰীটোৰ পৰিচালকৰ পৰা পূৰণ কৰিব বিচাৰিছে। যেতিয়ালৈকে তেওঁলোকৰ দাবীবোৰ পূৰণ নহয়, তেতিয়ালৈ তেওঁলোকে কাম নকৰে।

**চন্দ্ৰ** ঃ তেওঁলোকৰ দাবীবোৰ কেনেধৰণৰ দেউতা?

**দেউতা** ঃ সাধাৰণতে শ্ৰমিকসকলৰ এটাই দাবী থাকে- তেওঁলোকৰ বেতন বৃদ্ধি।

**দেৱী** ঃ ইয়াতনো কি বেয়া- ফেক্টৰীৰ মালিকপক্ষই নিশ্চয় এওঁলোকৰ বেতন বঢ়াব লাগে।

**দেউতা** ঃ দেৱী- এই সমস্যাটো ইমান সহজ নহয়। বহুত পাক লগা, ইয়াত অৰ্থনৈতিক আৰু সামাজিক - দুটা দিশ সাঙোৰ খাই আছে।

**চন্দ্ৰ** ঃ দেউতা আমি একো বুজি পোৱা নাই। টকা-পইচানো কাক নালাগে?

**দেউতা** ঃ ঠিক আছে! মই বুজাই দিছো। তোমালোকে মোক কোৱা- মানুহে বাৰু ফেক্টৰী কিয় নিৰ্মাণ কৰে?

**চন্দ্ৰ** ঃ ব্যৱসায় কৰিবলৈ আকৌ!

**দেউতা** ঃ ঠিকেই কৈছা! আৰু ব্যৱসায় কৰি পইচা উপাৰ্জন কৰিবলৈ নহয় জানো?

**চন্দ্ৰ** ঃ হুম দেউতা।

**দেউতা** ঃ সেইকাৰণে ফেক্টৰীৰ মালিকপক্ষই যিমান পাৰে সিমান লাভ কৰিবলৈ বিচাৰে। সেয়ে ফেক্টৰীৰ উৎপাদন বঢ়াই যায়। আৰু কেতিয়াবা কেতিয়াবা শ্ৰমিকৰ শোষনো কৰিবলৈ আৰম্ভ কৰে।

**চন্দ্ৰ** ঃ শোষণ! কেনেকৈ?

**দেউতা** ঃ হয়-শোষণ। ধৰিলোৱা কম বেতনত অধিক কাম বা কম চুটি আৰু অধিক সময় কাম। এই সকলোবোৰেই হৈছে শোষণ।

**চন্দ্ৰ** ঃ অ...... হয়তো।

**দেউতা** ঃ এই সকলোবোৰ হ'লে শ্ৰমিকসকলে নিজৰ ইউনিয়ন বনাই লয় আৰু তেওঁলোকৰ দাবী উত্থাপন কৰি মালিক পক্ষৰ আগত বিৰোধ আৰম্ভ কৰে। প্ৰকৃততে তেওঁলোকো টো মানুহেই হয়, ঘৰ চলাবলৈ তেওঁলোককো টকা-পাইচা আৰু নিম্নতম সুবিধাখিনিৰ প্ৰয়োজনটো হয়েই।

**দেৱী** ঃ হয় দেউতা- আপুনি ঠিকেই কৈছে।

**দেউতা** ঃ কেতিয়াবা কেতিয়াবা আকৌ ইউনিয়নৰ পদাধিকাৰীসকলে শ্ৰমিকসকলক বিচলিত কৰে আৰু মালিক পক্ষৰ বিৰুদ্ধে ধৰ্ণা দিবলৈ বাধ্য কৰায়।

**চন্দ্ৰ** ঃ সেইটো কেনেকৈ দেউতা!

**দেউতা** ঃ কেতিয়াবা কেতিয়াবা শ্ৰমিকসকলৰ দাবীবোৰ অযুক্তিকৰ আৰু ভুল হয়।

**দেৱী** ঃ মই বুজি পোৱা নাই দেউতা!

**দেউতা** ঃ এইটো আচলতে সামাজিকভাৱে জড়িত এটা দিশ!

**চন্দ্ৰ** ঃ এনে হ'লেতো এইবোৰৰ কেতিয়াও অন্তই নপৰিব। প্ৰত্যেকেই যদি এইধৰণে ধৰ্ণা দিবলৈ ধৰে, ফেক্টৰীটো বন্ধ হৈ যাব।

**দেউতা** ঃ (হাঁহি..) এনে নহয় বাৰু। আমাৰ ইয়াত এনে বহুত ফেক্টৰী, কল-কাৰখানা আছে যিবোৰ সুন্দৰকৈ চলি আছে।

**দেৱী** ঃ কিন্তু দেউতা- যেতিয়া এই সকলোবোৰ ফেক্টৰী নাছিল তেতিয়াওতো ভালদৰে কাম চলি আছিল!

**দেউতা** ঃ হয় চলি আছিল! তোমালোকে বাৰু এইবোৰ কথা জানিব বিচাৰিছা নেকি?

**দেৱী** ঃ অ' দেউতা! কোৱানা

**দেউতা** ঃ ইয়াৰ কাৰণে আমি বহুত পিছুৱাই যাব লাগিব।

**দেৱী** ঃ পিছুৱাই যাব লাগিব মানে-

**দেউতা** ঃ মানে অষ্টাদশ শতিকালৈ -! জেমছ্ ৱাটছ স্কটলেণ্ডৰ বাসিন্দা আছিল। ১৭৬৩ চনত তেওঁক (Newcomen) নিউক'মেনৰ দ্বাৰা বনোৱা ভাপ ইঞ্জিন এটা মেৰামতি কৰিবলৈ কোৱা হৈছিল। জেমছ্ ৱাটছ এজন সুদক্ষ মেকানিক আছিল। তেওঁ সেই ভাপ ইঞ্জিনটোত বহুত কাৰিকৰী পৰিৱৰ্তন ঘটায় আৰু তাক এটা সুচাৰুৰূপে কাম কৰিব পৰা ভাপ ইঞ্জিন হিচাপে গঢ়ি তোলে। ইয়াৰ ফলত এই ভাপ ইঞ্জিনটো বাস্তৱত মেচিন চলাব পৰা কামত ব্যৱহাৰ কৰিব পৰা হ'ল।

**(দৃশ্যঃ পিছফালৰ পৰা অহ শব্দ... যত এজন বৃদ্ধ ইউৰোপীয়ানৰ মাত শুনা যাব...)**

**জেমছ্ ৱাটছ** ঃ মোৰ আজিও সেই দিনটো মনত আছে। ইংৰাজী ১৭০০ চনৰ কথা। সেই সময়ত মোৰ বয়স প্ৰায় ১২ বছৰ মান আছিল। মই স্কুলত পঢ়িবলৈ যোৱা এজন ছাত্ৰ। মোৰ খুড়ীয়ে পাকঘৰত কিবা বনাই আছিল। চাহৰ কেটলীটোত পানী উতলি আছিল। এই উটল ইমানেই বেছি আছিল যে পানীৰ ভাপবোৰে কেটলীটোৰ ঢাকনিখনৰ ওপৰলৈ ঠেলি আছিল।

**(ধ্বনি প্ৰভাৱ)**

মই কেটলীটোৰ ফালে চাই আছিলো। মই ঢাকনীখনক হেচি ৰাখিবলৈ চেষ্টাও কৰিছিলো। যেতিয়া মই ঢাকনিখনক হেচি আছিলো, ভাপবোৰ কাষেৰে ওলাই আহিছিল, আৰু যেতিয়াই মই হাতখন ঢাকনিখনৰ পৰা আঁতৰাই দিছিলো, তেতিয়া ঢাকনিখন দূৰলৈ চিটিকি পৰিছিল। ভাপৰ এই প্ৰচুৰ শক্তিৰ কথা মই সৰুতেই গম পাইছিলো। সেয়ে পিছলৈ মই এই শক্তিকেই মেচিন চলাবলৈ ব্যৱহাৰ কৰিছিলো।

**(ধ্বনি পৰিৱৰ্তন)**

**দেউতা ঃ** এইদৰে মহান মেকানিকে শক্তিশালী ভাপ ইঞ্জিন বা বাষ্প ইঞ্জিনৰ আৱিস্কাৰ কৰিছিল। অৱশ্যে সময়ে সময়ে ইয়াৰ ওপৰত কৰা শুধৰণীয়ে ইয়াক আৰু শক্তিশালী কৰি তুলিছিল।

**চন্দ্ৰ ঃ** বাঃ কি আৱিস্কাৰ আছিল?

**দেউতা ঃ** যেতিয়াই যেতিয়াই এই বাষ্প ইঞ্জিনৰ পৰিৱৰ্তন হৈছিল, তেতিয়াই ইয়াৰ প্ৰভাৱে ইংলেণ্ডৰ স্বৰূপ সলনি কৰি গৈছিল। আৰু এই সকলোবোৰ সম্ভৱ কৰি তুলিছিল জেমচ্ বাট্ছে। এইটো আৱিস্কৰেৰেই ঔদ্যোগিক বিপ্লৱৰ সুচনা হৈছিল। সেই সময়ত হোৱা অভিনৱ প্ৰায়োগসমূহৰ ফলত অষ্টাদশ শতিকাৰ মাজভাগলৈ ঔদ্যোগিক বিপ্লৱ সম্পূৰ্ণ ইউৰোপ মহাদেশলৈ বিয়পি পৰিছিল।

**দেৱী ঃ** অ' দেৱী... এনে ধৰণৰ বিপ্লৱ এতিয়া তথ্য প্ৰযুক্তি বা ইনফৰমেশ্চন টেক্নোল'জিৰ ক্ষেত্ৰত হৈ আছে।

**চন্দ্ৰ ঃ** দেউতা ঔদ্যোগিক বিপ্লৱৰ আগত কি ফেক্টৰী, কল-কাৰখানা আদি নাছিল নেকি?

**দেউতা ঃ** আমি বৰ্তমান যিবোৰ বস্তু দৈনন্দিন জীৱনত ব্যৱহাৰ কৰো, তাৰ উৎপাদন বৃহৎ সংখ্যাত কৰা হয়। সেয়ে শক্তি চালিত ডাঙৰ ডাঙৰ মেশ্বিন ব্যৱহাৰ কৰা হয়। মানুহৰ দ্বাৰা চালিত বিভিন্ন ধৰণৰ ৰ'ব'টো আজিকালি কামত ব্যৱহাৰ হোৱা দেখা যায়। আগৰ দিনত এনেধৰণৰ মেশ্বিনবোৰ নাছিল। ঔদ্যোগিক বিপ্লৱৰ আগতে ঘৰতে প্ৰয়োজনীয় বস্তুবোৰ তৈয়াৰ কৰা হৈছিল। এইবোৰ তৈয়াৰ কৰোতে হস্ত চালিত সজুঁলিসমূহ ব্যৱহাৰ কৰা হৈছেল। গতিকে সৰু কাম এটা কৰিবলৈও যথেষ্ট কষ্ট কৰিবলগীয়া হৈছিল। মানুহ আৰু জীৱ-জন্তুৰ শ্ৰমেৰে শক্তি আহৰণ কৰি এই সকলোবোৰ কাম কৰা হৈছিল।

উদ্যোগিক বিপ্লৱে সেই সময়ত এই গোটেইবোৰ পৰিস্থিতিয়েই সলনি কৰি পেলাইছিল।

**দৃশ্য - ৰুমত এজন বৃদ্ধ ব্যক্তিৰ পদাচালন**

**ঃধ্বনি সংগীতঃ**

**আইতা ঃ** পুস্পেন্দ্ৰ, অ' পুস্পেন্দ্ৰ মই তাৰপৰা তোমালোকৰ কথাবোৰ শুনি আছো।

**চন্দ্ৰ ঃ** এতিয়াহে ভাল লাগিব- আইতাও আহি গ'ল।

**দেৱী ঃ** আইতা ইয়াতে বহা- এই আৰাম চকীখনত

**আইতা ঃ** (বহিবলৈ ধৰি)- অ-- আচ্ছা মই কি কৈ আছিলো

**চন্দ্ৰ ঃ** (হাঁহি) আইতাই পাহৰিয়েই গ'ল....

**দেউতা ঃ** অ' মা! তুমি সুতা কটাৰ কথা ক'ব ওলাইছিলা নেকি?

**চন্দ্ৰ ঃ** কিন্তু দেউতা.. সেই সময়ত ইংলেণ্ড হওঁক বা ভাৰতেই হওঁক কোনো ঠাইতেই এই বিপ্লৱৰ

বিৰোধিতা হোৱা নাছিল কিয়?

**দেউতা** ঃ চন্দ্ৰ, কেতিয়াবা কেতিয়াবা তুমি বৰ সুন্দৰ প্ৰশ্ন কৰা। জানানে, সেই সময়তো ইয়াৰ বিৰোধিতা হৈছিল আৰু এইয়া কৰিছিল সৰু সৰু কথাত দোষ বিচাৰি থকা মানুহ চামে- যাৰ ওচৰত না টো কাম আছিল না-টো- বুদ্ধি।

**দেৱী** ঃ দেউতা তেওঁলোকে কিয় বিৰোধ কৰিছিল মই বুজিয়েই পোৱা নাই?

**দেউতা** ঃ এইবোৰ মানুহ লুডিটছ ( Luddites) টাইপ আছিল। এওঁলোকে সদায় বিজ্ঞানৰ আৱিস্কাৰবোৰক গৰিহণা দিছিল। সেইসময়ত এই মানুহবোৰে ফেক্টৰীত ভঙা-চিঙা কৰিছিল আৰু মেচিনৰ লগত কাম কৰা মানুহবোৰকো মাৰ-ধৰ কৰিছিল। তেওঁলোকৰ নেতা আছিল নেড-লুড!

**দেৱী** ঃ (হাঁহি পেলাই) বহুত আমোদজনক কাহিনী দেই!

**আইতা** ঃ তুমি ইমান আগত যাবই নালাগে, মই চাওঁতে চাওঁতেই দেখোন আকাশ-পাতালৰ পাৰ্থক্য আহি গ'ল।

**দেউতা** ঃ হয় মা! ঔদ্যোগীকৰণৰ ফলত সকলোতকৈ ডাঙৰ পৰিৱৰ্তন আহিল বস্ত্ৰ উদ্যোগত। চাৰ ৰিচাৰ্ড আৰ্কৰাইটে সুতা কটা যন্ত্ৰ আৱিস্কাৰ কৰাৰ পিছত বস্ত্ৰ উৎপাদনৰ ব্যৱস্থাটোৱে সলনি হৈ যায়। ঔদ্যোগীকৰণে আমাৰ সাধাৰণ যন্ত্ৰক জটিল ৰূপ দিয়ে আৰু পিছলৈ Mass Production ৰ ফালে ঢাল খুৱাই।

**(ধ্বনি প্ৰভাৱ ফেক্টৰীত মেচিন চলাৰ শব্দ)**

**চন্দ্ৰ** ঃ দেউতা ঔদ্যোগীকৰণে সমগ্ৰ বিশ্বজুৰি পৰিৱৰ্তন অনা কথাতো সঁচা নেকি?

**দেউতা** ঃ হয় চন্দ্ৰ! ঔদ্যোগিক বিপ্লৱে ইতিহাস আৰু মানৱ সভ্যতাক সলনি কৰি দিলে। ইয়াৰ ফলত জীৱনৰ প্ৰতিটো দিশেই কিবা নহয় কিবা ধৰণে প্ৰভাৱিত হৈছে। ঔদ্যোগীকৰণৰ ফলত উৎপাদন বাঢ়িছে আৰু আমাৰ জীৱন ধাৰণো উন্নত হৈছে। বিশেষকৈ মধ্যম আৰু নিম্ন বৰ্গৰ মানুহবোৰৰ!

**চন্দ্ৰ** ঃ অ'হ হয় নেকি! আমিওটো এই শ্ৰেণীতেই পৰো নহয় দেউতা?

**দেউতা** ঃ কিন্তু ইয়াত আন এটা দিশো আছে!

**চন্দ্ৰ** ঃ তুমি কি ক'ব বিচাৰিছা দেউতা?

**দেউতা** ঃ দুখীয়া আৰু মধ্যম শ্ৰেণীৰ মানুহবোৰৰ জীৱন সদায় সংঘৰ্ষপূৰ্ণ হয়। ফেক্টৰীত কাম কৰা মানুহবোৰৰ দৰমহাও কম, কামবোৰো নিৰাশজনক। তাৰ ওপৰত অশিক্ষিত আৰু ভালদৰে কাম নজনা মানুহৰ চাকৰী সদায় অস্থায়ী হয় আৰু সদায়ে চাকৰীৰ পৰা খেদা খোৱাৰ ভয় থাকে। আনফালে মেচিনৰ দ্বাৰা সকলো কাম হয় বাবে অভিজ্ঞ মানুহৰ দাবিও কমি যায়।

**আইতা** ঃ ঠিকেই কৈছ! মইয়ো বহুত অভিজ্ঞ শ্ৰমিক চিনি পাওঁ যিয়ে নিজৰ চাকৰি হেৰুৱাইছিল। তাৰ পিছত নিজৰ আৰু পৰিয়ালৰ জীৱন নিৰ্বাহৰ বাবে সৰু-সুৰা কাম কৰিব ধৰিছিল।

**দেউতা** ঃ আনফালে জনসংখ্যা বৃদ্ধিৰ ফলত ঔদ্যোগিক ক্ষেত্ৰখনটো সুবিধাবোৰ কমি আহিব ধৰিছে। অত্যধিক চাহিদা, সেই অনুপাতে কম সংখ্যক মেশ্বিনাৰী, বাঢ়ি অহা প্ৰদূষণ আদি আন আন

সমস্যাটো আছেয়ে!

**দেৱী** ঃ ইমানবোৰ সমস্যা! জেমছ্ বাটচ্ আৰু তেওঁৰ সহযোগী সকলে তেওঁলোকৰ আৱিস্কাৰৰ সময়ত দহবাৰ ভাবিব লাগিছিল দেই! (হাঁহি...)

**দেউতা** ঃ (হাঁহি...) ইয়াত জেমছ্ বাটচ্ ৰ একো দোষ নাই। ঔদ্যোগিক বিপ্লৱ আৰু ঔদ্যোগিক পৰিৱৰ্তন দুয়োটাৰেই প্ৰয়োজন আছিল।

**দেৱী** ঃ কিন্তু কিয় দেউতা?

**দেউতা** ঃ বাঢ়ি অহা জনসংখ্যাৰ লগত বাঢ়ি অহা চাহিদা পূৰণ কৰিবৰ বাবে।

**চন্দ্ৰ** ঃ সেইটো কেনেকৈ দেউতা!

**দেউতা** ঃ ৰবা মই বুজাই দিছো, জনসংখ্যা বাঢ়ি অহাৰ লগে লগে আৱশ্যকীয় বস্তুবোৰৰ চাহিদাও বাঢ়ি আহিল। আমাকে চোৱা - বৰ্তমান আমি বিলাসী সামগ্ৰীবোৰৰ ওপৰত নিৰ্ভৰশীল হৈ গৈ আছো। প্ৰত্যেক সময়ত আমি নতুন নতুন সামগ্ৰী বিচাৰো। ইয়াৰ ফলত অপৰিসীম ঔদ্যোগিক উৎপাদন কৰিব লগা হয়। ইয়াৰ ফলত যোৱা কিছু দশক ধৰি নতুন নতুন ভয়াৱহ সমস্যাই দেখা দিছে।

**দেৱী** ঃ কেনেধৰণৰ ভয়াৱহ সমস্যা দেউতা?

**দেউতা** ঃ দেৱী, ঔদ্যোগীকৰণৰ ফলত কেনেধৰণৰ ভয়াৱহ সমস্যাই দেখা দিছে মই তোমালোকক কওঁ ৰবা।

**দেৱী** ঃ অ' দেউতা কোৱা না!

**দেউতা** ঃ এটাটো হৈছে- বৰ্দ্ধিত প্ৰদূষণ আৰু আনটো হৈছে প্ৰাকৃতিক সম্পদৰ অত্যধিক ব্যৱহাৰ।

**আইতা** ঃ ঠিকেই কৈছা। আধুনিকতাই আমাক খৰিৰ চৌকাৰ সলনি ৰন্ধা-বঢ়া কৰিবলৈ গেছ-চিলিণ্ডাৰ দিলে। ইয়াৰ ফলত ঘৰৰ ভিতৰত প্ৰদূষণ কম হ'ল। কিন্তু চোৱাচোন ঘৰৰ বাহিৰত আমি যেতিয়াই যাওঁ, চাৰিওফালে গাড়ী-মটৰ, ফেক্টৰীৰ পৰা হোৱা প্ৰদূষণ।

**দেউতা** ঃ অ' মা--- এইবোৰটো আৰু বেছি ক্ষতিকাৰক। জীৱাশ্ম ইন্ধনে নগৰ-চহৰবোৰৰ প্ৰদূষণ বঢ়াই তুলিছে।

**আইতা** ঃ সেইটোটো হয়েই, কিন্তু আজিকালিৰ নতুন প্ৰজন্মই ইয়াক আকৌ অন্য ধৰণেহে লয়। সিঁহতৰ কাৰণে সকলো ধৰণৰ সুখ-সুবিধাই আজি উপলব্ধ, যি কি নহওঁক, ভগৱান ইহঁতক সুবুদ্ধি দিয়া।

**দেউতা** ঃ (হাঁহি) মা! এতিয়াটো ভগৱানেও কাকো বচাব নোৱাৰে, চাৰিওফালে প্ৰদূষণেই প্ৰদূষণ।

**চন্দ্ৰ** ঃ দেউতা! বায়ু প্ৰদূষণ, জল প্ৰদূষণ আৰু মাটি প্ৰদূষণৰ কথা মই পঢ়িছো। কিন্তু পেটৰ প্ৰদূষণ প্ৰথমে দূৰ কৰিব লাগে। মোৰ খুউব ভোক লাগিছে।

**ঃঃঃসকলোৰে হাঁহিৰ শব্দঃঃঃ**

**দেৱী** ঃ চন্দ্ৰ তই প্ৰথমবাৰ কিবা ভাল কথা কোৱা শুনিলো (হাঁহি)!

**চন্দ্ৰ** ঃ দেৱী! মইটো সদায় ভাল কথাই কওঁ! পিছে কোনেও নুশুনে

**দেৱী** ঃ অৰ্দাৰ-অৰ্দাৰ, খোৱাৰ ব্যৱস্থা কৰা হওঁক। এইয়া মোৰ আইতাৰ আদেশ আৰু সকলোৰে শুনি

লওঁক, ইয়াৰ পিছৰ কাৰ্য্যসূচী বাহিৰৰ বাগিছাত হ'ব।

**দৃশ্য পৰিৱৰ্তনঃ** ৰান্ধনী ঘৰত ৰন্ধা শব্দ, চকী টেবুল টনাৰ শব্দ, দৰ্জা খোলাৰ শব্দ, লাহে লাহে চৰাই চিৰিকটিৰ শব্দ বাঢ়ি আহিব।

**চন্দ্ৰ** ঃ চোৱা! তাত আমি শব্দ প্ৰদূষণৰ কথা পাতি আছিলো আৰু ইয়াত সকলোৱে ৰেকৰ্ড ব্ৰেক কৰি দিছে।

**আইতা** ঃ চন্দ্ৰ... এইয়া কিবা শব্দ প্ৰদূষণ হ'ব পাৰে নেকি? ভালদৰে শুনাছোন...... ইমান মধূৰ সংগীত আৰু ইমান লয় লগাই চৰাই চিৰিকটিতবোৰে শব্দ কৰি আছে

**দেৱী** ঃ (হাঁহি) তেতিয়াহ'লে এতিয়া সকলোৱে বিচাৰ বিবেচনাৰে কোৰ্টৰ কাৰ্য্যসূচী আগবঢ়োৱা যাওঁক

**চন্দ্ৰ** ঃ দেউতা, তুমি বেলেগ বেলেগ ধৰণৰ প্ৰদূষণৰ কথা কৈ আছিলা

**দেউতা** ঃ প্ৰদূষণৰ বাহিৰেও ঔদ্যোগীকৰণৰ ফলত আৰু বহুত বেলেগ বেলেগ প্ৰভাৱ পৰিছে। নতুন নতুন ভৱন-অট্টালিকাৰ নিৰ্মাণ, ৰাষ্টা তথা ৰেল পথৰ উন্নতি, কল-কাৰখানা নিৰ্মাণ আদিয়ে খেতিৰ বাবে উপযোগী ভূমিৰ পৰিমান কমাই আনিছে। লগতে বহু সংখ্যক গছ-গছনিও কাটিব লগা হৈছে।

**চন্দ্ৰ** ঃ খেতিৰ মাটি কমি অহাটো টো ডাঙৰ সমস্যা দেউতা।

**দেউতা** ঃ ইয়াৰ লগত আৰু বহুধৰণৰ সামাজিক দিশ জড়িত হৈ আছে। কল-কাৰখানা, ফেক্টৰী আদি নিৰ্মাণৰ বাবে বহুত টকা পইচাৰ লগতে প্ৰাকৃতিক সম্পদৰ প্ৰয়োজন হয়। পিছলৈ সফল উদ্যোগকাৰী সকলে উৎপাদনৰ জৰিয়তে বহুত টকা পাইচা উপাৰ্জন কৰে। এই টকা পইচাৰে আৰু অধিক কল-কাৰখানা, ভৱন অট্টালিকা নিৰ্মান কৰে। ফলস্বৰূপে প্ৰকৃতিৰ ওপৰত যথেষ্ট বিৰূপ প্ৰভাৱ পাৰে।

**আইতা** ঃ এনেধৰণৰ হাবিয়াসৰ ফলত ধনীবোৰ আৰু ধনী আৰু দুখীয়াবোৰ আৰু দুখীয়া হৈ গৈ আছে।

**দেউতা** ঃ অ' মা- তুমি ঠিকেই কৈছা

**দেৱী** ঃ দেউতা.. তুমিটো অকল সমস্যাৰ কথাই কৈ আছা, এইবোৰৰ কোনো সমাধান নাই নেকি?

**দেউতা** ঃ হাঁহি! সকলো সমস্যাৰেই সমাধান আছে, মাথো ইয়াৰ বাবে দৃষ্টিভঙ্গী সলনি কৰাহে প্ৰয়োজন।

**দেৱী** ঃ দেউতা, তুমি কি দৃষ্টিভঙ্গী সলনি কৰাৰ প্ৰয়োজনীয়তাৰ কথা কৈছানো? কোৱানা

**দেউতা** ঃ মই ক'ব ওলাইছো উদ্ভাৱনৰ কথা- সেইটো অৱশ্যে উৎপাদন পদ্ধতিটো হ'ব পাৰে নতুবা উৎপাদিত সামগ্ৰীটো হ'ব পাৰে।

**চন্দ্ৰ** ঃ তাৰমানে আমি সৌৰ শক্তি ব্যৱহাৰ কৰিব লাগিব নেকি?

**দেউতা** ঃ একদম ঠিক কথা কৈছা। আমাৰ বাবে এইটো এটা উত্তম উপায়। সৌৰ শক্তিৰ ব্যৱহাৰে পৰম্পৰাগত বিজুলি শক্তিৰ চাহিদা কমাই আনিব।

**আইতা** ঃ ইয়াৰ ফলত লোড শ্বেডিং (Load shading) ৰ পৰাও আমি বাচিব পাৰিম

**দেউতা** ঃ হয়! ঠিক কথা মা.. সৌৰ শক্তিৰ ব্যৱহাৰে জীৱাশ্ম ইন্ধনৰ ব্যৱহাৰ কমাই আনিব। ইয়াৰ

ফলত পৰিৱেশ প্ৰদূষণো বহু পৰিমাণে কমি আহিব। আজি আমি জীৱাশ্ম ইন্ধনক টকাৰে জুখি আহিছো যদিও এইবোৰ হৈছে অমূল্য। কাৰণ জীৱাশ্ম ইন্ধনক আমি তৈয়াৰ কৰিব নোৱাৰো। অবাধ ব্যৱহাৰৰ ফলত পৃথিৱীৰ বুকুৰ পৰা জীৱাশ্মা ইন্ধনবোৰ লাহে লাহে কমি আহিছে। গতিকে বৰ্তমান উন্নত তথা স্মাৰ্ট প্ৰযুক্তিৰ প্ৰয়োগৰ প্ৰয়োজনীয়তা যথেষ্ট আহি পৰিছে। ইয়াৰ ফলত উৎপাদনো বৃদ্ধি হয়, পৰিৱেশ প্ৰদূষণো কমকৈ হয়।

**চন্দ্ৰ** ঃ দেউতা, ক্লাছত আমাক এবাৰ গ্ৰীণ হাউচ গেছ আৰু কাৰ্বন ফুট প্ৰিন্টৰ কথা কৈছিল।

**দেউতা** ঃ অ' চন্দ্ৰ, আমি কাৰ্বন নিস্কাষণ কম কৰিবলৈ চেষ্টা কৰিব লাগে। ভাৰতবৰ্ষৰ লগতে সকলো দেশেই কাৰ্বন নিস্কাষণ কম কৰিবলৈ চেষ্টা কৰি আছে। এই ক্ষেত্ৰত নতুন নতুন প্ৰযুক্তি ব্যৱহাৰ কৰা হৈছে। ইয়াৰ দ্বাৰা পৰিৱেশজনিত সমস্যাবোৰো ৰোধ কৰিবলৈ প্ৰচেষ্টা হাতত লোৱা হৈছে। কিন্তু সামাজিক দিশবোৰ আমি অন্যভাৱে চিন্তা কৰিব লাগিব।

**দেৱী** ঃ দেউতা ইয়াৰ বাবে কেনে প্ৰযুক্তিৰ প্ৰয়োজন হ'বনো?

**দেউতা** ঃ দেৱী! তুমি বাৰু চিলেজৰ বিষয়ে শুনিছানে?

**চন্দ্ৰ** ঃ চি-লে-জ- এইটো কি দেউতা?

**দেউতা** ঃ আচ্ছা- মই তোমালোকক কৈ আছো ৰ'বা। চিলেজৰ উদ্দেশ্য হৈছে গাওঁত এখন চহৰ। মানে (City in a village) (একেলগে) আচৰিত হৈ- City in a village?

**দেউতা** ঃ ইয়াক একধৰণৰ strategy বা ৰণনীতি বুলি ক'ব পাৰা। প্ৰখ্যাত পৰমাণু বিজ্ঞানী ড° অনিল কাকোড্‌কৰে এই নতুন ৰণনীতিৰ প্ৰস্তাৱ দিছিল। তেওঁ কৈছিল যে এখন গাওঁৰ জীৱন নিৰ্বাহৰ বাবে প্ৰয়োজন হোৱা সকলো উপাদান গাওঁখনতে প্ৰস্তুত কৰি উলিয়াব লাগে। যদি এইয়া সম্ভৱ নহয়, তেন্তে চুবুৰীয়া গাওঁসমূহে মিলি ইজনে সিজনৰ আৱশ্যকীয় উপাদানসমূহ প্ৰস্তুত কৰি উলিয়াব লাগে।

**আইতা** ঃ বাহ! কি ধুনীয়া প্ৰস্তাৱ দিছিল তেওঁ। আনকি জাতিৰ পিতা মহাত্মা গান্ধীয়েও কৈছিল যে আমি সকলোৱে চহৰমুখী মনোভাৱ ত্যাগ কৰি আমি থকা গাওঁখনতে সকলোবোৰ সুবিধা বনাই লোৱা উচিত।

**দেউতা** ঃ সচাঁ কথা- আনকি আমাৰ দেশত গাওঁত বসবাস কৰিয়ে নিজকে সফল ব্যৱসায়ীৰূপে গঢ়ি তুলিছে। মোৰ মোৱাইলত এটা ভিডিঅ' ক্লিপ আছে। ৰ'বা মই তোমালোকক দেখুৱাই আছো।

**দেৱী আৰু চন্দ্ৰ** ঃ দেখুওৱা না দেউতা

**(দেউতাকে মোবাইল উলিওৱাৰ শব্দ। এগৰাকী মহিলাৰ (ঘোষিকা) মাত ভাঁহি আহিব।**

**ঘোষিকা** ঃ এই কাহিনী হৈছে এনে এজন লোকৰ যিয়ে পৰিয়ালৰ ভৰণ-পোষণৰ বাবে সংঘৰ্ষ কৰি আছিল। হয়-মই ক'ব ওলাইছো মনসুখ ভাই প্ৰজাপতিৰ কথা। মনসুখ ভাই প্ৰজাপতিয়ে কুমাৰৰ কাম কৰি তেওঁৰ পৰিয়ালৰ ভৰণ-পোষণ কৰিছিল। পিছলৈ তেওঁ তেওঁৰ প্ৰতিভা আৰু কৌশল খটুৱাই পাকঘৰত প্ৰয়োজনীয় বাচন-বৰ্তনবোৰক এক নতুন ৰূপত গঢ়ি তোলে। তেওঁৰ উদ্ভাৱনসমূহৰ ভিতৰত আছিল পানী পৰিস্কাৰ কৰা ফিল্টাৰ, মাটিৰ ফ্ৰিজ, হ'ট প্লেট, কুকাৰ, নন্-ষ্টিক তাৱা আৰু অনেক বাচন-বৰ্তন যিবোৰ দৈনন্দিন জীৱনত সদায়ে ব্যৱহাৰ হয়

**আইতা** ঃ আৰে বাহঃ তেওঁতো কম কাম কৰা নাই

**ঘোষিকাঃ** আৰম্ভণিতে তেওঁৰ ওচৰত টকা-পইচা নাছিল। তেওঁ কৰ্মকুশলতা আৰু বুদ্ধিৰ বলত কুমাৰৰ কাম কৰিয়েই তেওঁৰ উদ্ভাৱনবোৰ কৰি গৈছিল। আৰম্ভণীতে তেওঁ ত্ৰিশ হাজাৰ টকা ধাৰলৈ লৈছিল। সেই টকাৰেই তেওঁ নতুন নতুন ৰূপত তেওঁ প্ৰস্তুত কৰা সামগ্ৰীসমূহৰ পেটেন্ট বজাৰত উলিয়াই দিছিল আৰু এই অতি কম সময়ৰ ভিতৰতে এই সামগ্ৰীসমূহে বিপুল জনপ্ৰিয়তা লাভ কৰিছিল। আজি বহুদেশত তেওঁৰ সামগ্ৰীসমূহ ৰপ্তানি কৰা হয়।

**ঃঃসংগীতঃঃ**

**চন্দ্ৰ** ঃ দেউতা - কি সাফল্য, মনসুখ ভাইৰ- সঁচাকৈয়ে মানিব লাগিব!

**দেউতা** ঃ চন্দ্ৰ, এনে উদাহাৰণ তুমি বহুত পাবা। একেধৰণেৰে অন্ধ্ৰপ্ৰদেশৰ নালগোণ্ডা জিলাৰ চাৰজীপট্ নামৰ গাওঁখনকে লোৱাচোন। তাত বাস কৰা চিন্তাকিণ্ডি মল্লেচম নামৰ লোকজনে বোৱন শিল্পৰ ক্ষেত্ৰত আলোড়নৰ সৃষ্টি কৰিছিল। তেওঁ ৰেচম শাড়ী বনোৱাৰ ক্ষেত্ৰত যান্ত্ৰিক পৰিৱৰ্তন আনে। আগতে ৰেচন শাড়ী হাতেৰে বনোৱা হৈছিল। কিন্তু চিন্তাকিণ্ডি মল্লেচমে যান্ত্ৰিক পদ্ধতিৰে ৰেচম শাড়ী বনাই এই দিশত এক নতুন ধাৰাৰ সূচনা কৰে।

**দেৱী** ঃ বাঃ এইটো বঢ়িয়া কথা হ'ল।

**দেউতা** ঃ যান্ত্ৰিক পদ্ধতিৰে ৰেচম শাড়ী বনাব পৰা হোৱাৰ পিছত বনুৱা সকলৰ কষ্টও কম হ'ল লগতে অধিক উৎপাদনো হ'বলৈ ধৰিলে।.

**আইতা** ঃ আমি দেখোন আমাৰ ৰাজ্যৰ কথাই ল'ব পাৰো। তোমালোকে দেখোন জনাই অসমৰ কাঁহ-পিতলৰ বাচন পৃথিৱী বিখ্যাত। এই কাঁহ-পিতলৰ হস্ত নিৰ্মিত বাচনবোৰৰ ক্ষেত্ৰতো যদি যান্ত্ৰিক পদ্ধতিৰে নিৰ্মাণ কৰিব পৰা যায় তেন্তে কম কষ্টত অধিক উৎপাদন কৰিব পৰা যাব। একেধৰণে বিশ্বদৰবাৰত স্থান পোৱা শুৱালকুছিৰ পাট-মুগা শিল্পই যান্ত্ৰিক পদ্ধতি প্ৰয়োগৰ দ্বাৰা আৰু অধিক উৎপাদন বঢ়াব পাৰিব।

**দেউতা** ঃ কথটো অৱশ্যে নোহোৱা নহয়। কিন্তু এই যান্ত্ৰিক পদ্ধতিসমূহ ব্যৱহাৰ কৰাৰ আগতে পৰিৱেশৰ ওপৰত কিবা বিৰূপ প্ৰভাৱ পৰে নেকি চাব লাগিব।

**চন্দ্ৰ** ঃ এইয়া কেনেদৰে কৰিব পৰা যাব দেউতা?

**দেউতা** ঃ ইয়াৰ বাবে উদ্ভাৱনৰ প্ৰয়োজন হ'ব। অসমত বহুকেইজন বিশিষ্ট উদ্ভাৱক তথা বিজ্ঞানী আছে যাৰ সহযোগত আমাৰ উদ্যোগ সমূহত পৰিৱেশ অনুকূল পৰিৱৰ্তন আনিব পৰা যাব।

**চন্দ্ৰ** ঃ দেউতা, এবাৰ আমাৰ বিদ্যালয়ত বিশিষ্ট উদ্ভাৱক উদ্ধৱ ভৰালী চাৰক আমন্ত্ৰণ কৰা হৈছিল। তুমি জানানে তেখেতে বহুকেইটা যন্ত্ৰ উদ্ভাৱন কৰিছে।

**দেউতা** ঃ হয়! তেখেত অসমৰ গৌৰৱ। লক্ষীমপুৰতে স্থিতাপি লৈ এটা সৰু গৱেষণাগাৰত তেওঁ বিভিন্ন প্ৰয়োজনীয় কামৰ আহিলা তথা সমাজৰ বিশেষভাৱে সক্ষম লোকসকলৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি বহু ধৰণৰ যন্ত্ৰ-পাতি প্ৰস্তুত কৰি উলিয়াইছে। তেখেতে প্ৰায় ১৫০ টা যন্ত্ৰ নিৰ্মাণ কৰি উলিয়াইছে। ইয়াৰ ভিতৰত ডালিমৰ বাকলি গুছোৱা যন্ত্ৰ, কঠিয়া সিঁচা যন্ত্ৰ, মাছৰ বাকলি গুছোৱা যন্ত্ৰ আদি উল্লেখযোগ্য।

**দেৱী** ঃ আৰে বাহ্! বঢ়িয়া কথা দেখোন। তেখেতৰ ওপৰটো তথ্যচিত্ৰ বনাব লাগে

**দেউতা** ঃ ইতিমধ্যে বহুকেইটা ৰাষ্ট্ৰীয় আৰু আন্তৰাষ্ট্ৰীয় সংস্থাই তেখেতক বিভিন্ন সন্মান প্ৰদান কৰিছে। প্ৰযুক্তি ৰত্ন, মানৱ ৰত্ন, স্বয়ংসিদ্ধ আদি উপাধি প্ৰদান কৰিছে। আনকি আন্তৰ্জাতিক BBC আৰু History চেনেলেও তেওঁৰ ওপৰত তথ্যচিত্ৰ প্ৰস্তুত কৰি উলিয়াইছে।

**আইতা** ঃ এইয়াটো সচাঁকৈয়ে আমাৰ বাবে অতি গৌৰৱৰ কথা, এনেধৰণৰ লোকসকলৰ পৰামৰ্শ মতে আমাৰ ঔদ্যোগিক ক্ষেত্ৰখনত উদ্ভাৱন প্ৰয়োগ কৰিলে আমাৰ পৰিৱেশকো বিনষ্ট হোৱাৰ পৰা ৰক্ষা কৰিব পৰা যাব। মহাত্মা গান্ধীৰ মূলমন্ত্ৰ আমি আকৌ আদৰি ল'ব লাগিব। তেতিয়াহে আমাৰ সমাজখনক আমি বহনক্ষম প্ৰগতিৰ ক্ষেত্ৰত আগুৱাই নিব পাৰিম।

**চন্দ্ৰ** ঃ মহাত্মা গান্ধীয়ে কৈছিল যে, ঔদ্যোগীকৰণৰ দ্বাৰাহে আমি সামাজিক সমস্যাসমূহ সমাধান কৰিব পাৰিম। কিন্তু ইয়াৰ বাবে ডাঙৰ উদ্যোগৰ প্ৰয়োজন নাই। সৰু-সৰু উদ্যোগ নিৰ্মাণৰ জৰিয়তে আমি আমাৰ সামাজিক সমস্যাসমূহ দূৰ কৰিব পাৰিম। সমাজখনকো বিকাশৰ দিশত আগুৱাই নিব পাৰিম। লগতে আমাৰ প্ৰাকৃতিক সম্পদসমূহো ৰক্ষা পৰিব। গাওঁ-চহৰবোৰো বাচি থাকিব।

**চন্দ্ৰ আৰু দেৱীঃ** (একেলগে)- লগতে শক্তি আৰু ৰাষ্ট্ৰীয় সম্পদবোৰো বাচিব।

**দেউতা** ঃ একদম ঠিক কথা কৈছা! (হাঁহি) সেইকাৰণে কোৱা হয় ---------------- এটা দীঘল যাত্ৰাৰ আৰম্ভণি সদায় সৰু সৰু খোজেৰেই হয়------।

**(সকলোৰে হাঁহি শুনা যায়)**

**(সমাপন সংগীত)**

**বিজ্ঞান প্ৰশ্নোত্তৰঃ**

**প্ৰশ্ন ১** ঃ ভাপ ইঞ্জিন কোনে আৱিস্কাৰ কৰিছিল?
**উত্তৰ** ঃ স্কটলেণ্ডৰ জেমচ্ ৱাটে

**প্ৰশ্ন ২** ঃ চিলেজ'ৰ মূল নীতি কি আছিল?
**উত্তৰ** ঃ গাওঁৰ মূল প্ৰয়োজনীয় সামগ্ৰীসমহে গাওঁতে ন'হ'লে ওচৰে পাজৰে উৎপাদন কৰা।

**প্ৰশ্ন ৩** ঃ অসমৰ এজন বিশিষ্ট উদ্ভাৱকৰ নাম কোৱা।
**উত্তৰ** ঃ উদ্ধৱ ভৰালী।